# GENERAL STUDIES—III

## ( Paper—4 )

*Full Marks* : 250

*Time* : 3 hours

---

### QUESTION PAPER SPECIFIC INSTRUCTIONS

***Please read each of the following instructions carefully before attempting questions***

There are **TWENTY** questions printed in **ENGLISH** and **ASSAMESE**.

**All** questions are compulsory.

The number of marks carried by a question/part is indicated against it.

Answers to Question Nos. **1** to **10** should be in *150* words each, whereas answers to Question Nos. **11** to **20** should be in *250* words each.

Keep the word limit indicated in the questions in mind.

Any page or portion of the page left blank in the Question-cum-Answer (QCA) Booklet must be clearly struck off.

---

1. Describe briefly the salient features of the scheme 'Mukhya Mantrir Nijut Maina (MMNM)' launched by the Government of Assam to eliminate child marriages. (Answer in *150* words) 10

বাল্যবিবাহ নিৰ্মূলকৰণৰ বাবে অসম চৰকাৰে হাতত লোৱা 'মুখ্যমন্ত্ৰীৰ নিযুত মইনা (MMNM)' নামৰ আঁচনিখনৰ উল্লেখযোগ্য বৈশিষ্ট্যসমূহ চমুকৈ বৰ্ণনা কৰক। (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**2.** A major paradigm shift in flood management in Assam has been planned with the proposed 'Innovative Integration of Wetlands with River Brahmaputra for Floodwater Diversion'. Accordingly, an amount of ₹ 200 crores has been earmarked for this purpose in the State Budget of 2024–25.

Elaborate the main features of the project and examine its feasibility in flood management. (Answer in *150* words) 10

'বানপানীৰ দিশ সলনিৰ বাবে ব্ৰহ্মপুত্ৰৰ সৈতে জলাশয়সমূহৰ সংলগ্নকৰণৰ উদ্ভাৱনমূলক পদক্ষেপ' প্ৰকল্পৰ জৰিয়তে অসমৰ বানপানী ব্যৱস্থাপনা সন্দৰ্ভত এক গুৰুত্বপূৰ্ণ আৰ্হিগত (paradigm) পৰিৱৰ্তনৰ পৰিকল্পনা কৰা হৈছে। সেই মৰ্মে ২০২৪–২৫ৰ অসমৰ বাৰ্ষিক বাজেটত ২০০ কোটি টকাৰ এক পুঁজি ধাৰ্য কৰা হৈছে।

প্ৰকল্পটোৰ প্ৰধান বৈশিষ্ট্যসমূহৰ বিৱৰণ দিয়ক আৰু বান ব্যৱস্থাপনাৰ বাবে ইয়াৰ সুচলতা (গ্ৰহণযোগ্যতা/সম্ভাব্যতা) বিচাৰ কৰক। (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**3.** "Indian Railways is the lifeline of the Indian economy." Discuss the statement in the context of three railway corridors announced in the Union Interim Budget, 2024. (Answer in *150* words) 10

''ভাৰতীয় ৰে'লসেৱা ভাৰতীয় অৰ্থনীতিৰ জীৱনৰেখা।'' ২০২৪ বৰ্ষৰ কেন্দ্ৰীয় অন্তৰ্বৰ্তীকালীন বাজেটত ঘোষিত তিনিটা ৰে'লৰে কৰিডৰৰ আধাৰত কথাফাঁকি পৰ্যালোচনা কৰক। (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**4.** Comment on the benefits and challenges of digital economy in India. (Answer in *150* words) 10

ভাৰতবৰ্ষৰ ডিজিটেল অৰ্থনীতিৰ সুফল আৰু প্ৰত্যাহ্বানসমূহৰ সন্দৰ্ভত মন্তব্য প্ৰকাশ কৰক। (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**5.** Discuss the significance of the 'PM Surya Ghar Muft Bijli Yojana' in reference to rural economy and climate mitigation. (Answer in *150* words) 10

গ্ৰাম্য অৰ্থনীতি আৰু জলবায়ু প্ৰশমনৰ সন্দৰ্ভত 'প্ৰধানমন্ত্ৰী সূৰ্য ঘৰ বিনামূলীয়া বিজুলী যোগান যোজনা'ৰ গুৰুত্ব আলোচনা কৰক। (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**6.** Explain the relationship among government procurement operations, minimum support prices (MSPs) and the creation of buffer stocks in the context of Assam. (Answer in *150* words) 10

অসমৰ প্ৰসংগত চৰকাৰী ক্ৰয় প্ৰক্ৰিয়া, ন্যূনতম সমৰ্থন মূল্য আৰু সুৰক্ষিত ভাণ্ডাৰ (buffer stocks) সৃষ্টিৰ মাজত থকা সম্বন্ধৰ পৰ্যালোচনা কৰক। (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

affect girls and women in different ways than and men." Do you agree? Why are responses often gender-blind? How do you ensure gender equality in disaster risk reduction in particular?

(Answer in *150* words) 10

''দুৰ্যোগে ল'ৰা আৰু পুৰুষতকৈ ছোৱালী আৰু মহিলাক বেলেগ বেলেগ ধৰণে প্ৰভাৱিত কৰে।'' এই মন্তব্যত আপুনি সন্মতনে? সঁহাৰিবোৰ প্ৰায়ে লিংগ-অন্ধ (gender-blind) কিয় হয়? বিশেষকৈ দুৰ্যোগৰ বিপদাশংকা হ্ৰাসৰ ক্ষেত্ৰত লিংগ-সমতা কেনেকৈ নিশ্চিত কৰিব পাৰি? (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**8.** Discuss the preparedness and mitigation measures that should be adopted for reducing the impact of earthquakes in the context of Assam.

(Answer in *150* words) 10

ভূমিকম্পৰ প্ৰভাৱ হ্ৰাসকৰণৰ বাবে হাতত ল'ব পৰা প্ৰস্তুতি আৰু প্ৰশমন ব্যৱস্থাবোৰৰ বিষয়ে অসমৰ প্ৰেক্ষাপটত আলোচনা কৰক। (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**9.** What is the digital twin concept? How does it help an organization to arrive at better decisions? Discuss the 'Sangam : Digital Twin' initiative of the Government of India. (Answer in *150* words) 10

ডিজিটেল যমজ ধাৰণাটো কি? প্ৰতিষ্ঠান এটাক এই ধাৰণাই কেনেকৈ অধিক উন্নত সিদ্ধান্তত উপনীত হোৱাত সহায় কৰে? ভাৰত চৰকাৰৰ 'সঙ্গম : ডিজিটেল যমজ' প্ৰচেষ্টাৰ বিষয়ে আলোচনা কৰক।

(১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**10.** Do you think that the Green Credit Programme can be used to circumvent existing laws particularly those that deal with forest conservation? Substantiate your answer. (Answer in *150* words) 10

গ্ৰীণ ক্ৰেডিট কাৰ্যসূচীয়ে বৰ্তমানৰ আইনসমূহ, বিশেষকৈ বন সংৰক্ষণ-সম্পৰ্কীয় আইনসমূহৰ ক্ষেত্ৰত বাধাৰ সৃষ্টি কৰিব বুলি আপুনি ভাবেনে? আপোনাৰ উত্তৰ যুক্তিযুক্ততাৰে প্ৰতিপন্ন কৰক।

(১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**11.** "India's first indigenous semiconductor assembly and test facility at Jagiroad shall put Assam on the world semiconductor map and transform the economic landscape of East India."

Examine the above statement with reference to the economic opportunities and employment potential of this mega project. (Answer in *250* words) 15

''জাগীৰোডত স্থাপন হ'বলগীয়া ভাৰতৰ প্ৰথমটো দেশীয় ঈষৎ-পৰিবাহী (semiconductor) সংযোজন আৰু পৰীক্ষণ ব্যৱস্থা প্ৰকল্পই বিশ্বৰ ঈষৎ-পৰিবাহী মানচিত্ৰত অসমক স্থানপ্ৰাপ্ত কৰোৱাৰ লগতে পূব ভাৰতৰ অৰ্থনৈতিক দৃশ্যপটত ৰূপান্তৰৰ সূচনা কৰিব।''

এই বৃহৎ প্ৰকল্পৰ অৰ্থনৈতিক সুযোগ আৰু সংস্থাপনৰ সম্ভাৱনা সৃষ্টিৰ প্ৰসংগত ওপৰোক্ত কথাফাঁকি বিচাৰ কৰক। (২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**12.** What are Nifty and Sensex? Comment on the growing popularity of mutual fund investment in India. (Answer in *250* words) 15

নিফ্‌টি (Nifty) আৰু চেন্‌চেক্স (Sensex) কি? ভাৰতত মিউচুৱেল ফাণ্ড (mutual fund) বিনিয়োগৰ বৰ্ধিত জনপ্ৰিয়তাৰ সন্দৰ্ভত মন্তব্য প্ৰকাশ কৰক। (২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**13.** The Government of Assam has initiated the process of constructing bridges over Brahmaputra at several places. Mention the places and discuss the probable benefits and strategic importance of these bridges.

(Answer in *250* words) 15

অসম চৰকাৰে বহুকেইটা স্থানত ব্ৰহ্মপুত্ৰৰ ওপৰত দলং নিৰ্মাণৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে। স্থানবোৰ উল্লেখ কৰক আৰু এই দলংবোৰৰ পৰা হ'ব পৰা সুবিধা আৰু ইয়াৰ কৌশলগত গুৰুত্ব আলোচনা কৰক।

(২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**14.** Which is the implementing authority of the Project Cheetah in India and which are the collaborating partners? What are the ecological objectives of the project? Give your opinion on the implementation of the project so far.

(Answer in *250* words) 15

ভাৰতৰ চিতা প্ৰকল্প ৰূপায়ণকাৰী কৰ্তৃত্বশীল সংস্থা কোনটো আৰু ইয়াৰ সহযোগী অংশীদাৰবোৰ কোন? এই প্ৰকল্পৰ পাৰিপাৰ্শ্বিক উদ্দেশ্যবোৰ কি কি? এতিয়ালৈ এই প্ৰকল্পৰ ৰূপায়ণ সন্দৰ্ভত আপোনাৰ মতামত প্ৰদান কৰক। (২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**15.** Explain the causal links between environmental degradation and vulnerability to disasters. Suggest four steps that can be taken to minimize environmental degradation. (Answer in *250* words) 15

পৰিৱেশ অৱক্ষয় আৰু দুৰ্যোগৰ স্পৰ্শকাতৰতাৰ মাজত কি কাৰণগত সম্পৰ্ক আছে, ব্যাখ্যা কৰক। পৰিৱেশ অৱক্ষয় হ্ৰাস কৰিবলৈ ল'ব পৰা চাৰিটা পদক্ষেপৰ পৰামৰ্শ আগবঢ়াওক।

(২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**16.** Describe, in detail, the Uttar Purva Transformative Industrialization Scheme (UNNATI), 2024. How will it enhance industrial development and job creation in North-East India? (Answer in *250* words) 15

উত্তৰ-পূব পৰিৱৰ্তনকাৰী ঔদ্যোগীকৰণ যোজনা (UNNATI), ২০২৪খন বিতংভাৱে বৰ্ণনা কৰক। এই যোজনাই উত্তৰ-পূব ভাৰতত ঔদ্যোগিক বিকাশ আৰু সংস্থাপন সৃষ্টি কেনেদৰে বৃদ্ধি কৰিব?

(২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**17.** What is traditional knowledge? Suggest ways to use it for sustainable use of forest and biodiversity. (Answer in *250* words) 15

পৰম্পৰাগত জ্ঞান কি? বনাঞ্চল আৰু জৈৱ-বৈচিত্ৰ্যৰ বহনক্ষম প্ৰয়োগৰ বাবে ইয়াক ব্যৱহাৰ কৰিবলৈ কেতবোৰ পৰামৰ্শ আগবঢ়াওক। (২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**18.** "Seventy-hour work week may offer a temporary burst of productivity, but at the expense of employees' well-being, long-term output and overall social happiness." Critically examine the statement. (Answer in *250* words) 15

''সত্তৰ-ঘণ্টীয়া কৰ্ম সপ্তাহে অস্থায়ীভাৱে উৎপাদনশীলতা বৃদ্ধি কৰিব ঠিকেই, কিন্তু ই কৰ্মচাৰীৰ সু-স্বাস্থ্য, দীৰ্ঘকালীন উৎপাদন আৰু সামগ্ৰিক সামাজিক সুখৰ বিনিময়তহে সম্ভৱ হ'ব।'' এই কথাফাঁকিৰ সমালোচনাত্মক বিচাৰ কৰক। (২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**19.** 'Not all animals migrate by choice' is a campaign against what activity? Suggest innovative steps to make the campaign a success. (Answer in *250* words) 15

'সকলো জন্তুৱে ইচ্ছাকৃতভাৱে প্ৰব্ৰজন নকৰে'—এই প্ৰচাৰ অভিযানটো কি কাৰ্যৰ সৈতে জড়িত? এই অভিযানটো সফল কৰাৰ বাবে কেতবোৰ উদ্ভাৱনীমূলক পদক্ষেপৰ পৰামৰ্শ আগবঢ়াওঁক।

(২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**20.** "India has emerged as a Vishwa Mitra (global friend), a Vishwa Guru (global teacher) and a Vishwa Vaidya (global physician)." Examine the statement in the light of the development made by India in recent years.

(Answer in *250* words) 15

''ভাৰতবৰ্ষ 'বিশ্ব মিত্ৰ', 'বিশ্ব গুৰু' আৰু 'বিশ্ব বৈদ্য'ৰ পৰ্যায়লৈ উন্নীত হৈছে।'' সাম্প্ৰতিক সময়ত ভাৰতবৰ্ষই কৰা উন্নয়নৰ আধাৰত এই কথাফাঁকি বিচাৰ কৰক। (২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

★★★